# 2013

## ASSAMESE

( Major )

Paper : 3.2

( অসমীয়া সাহিত্যৰ বিশেষ অধ্যয়ন )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ কৰিবা

### ক—শাখা

( শংকৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবা : ১×১০=১০

(ক) কাৰ নিৰ্দেশ অনুসৰি ৰামচৰণ ঠাকুৰে সিঁচৰতি হৈ থকা 'কীৰ্তন'ৰ খণ্ডবোৰ একগোট কৰিছিল ?

(খ) 'অজামিল উপাখ্যান' কি ছন্দত ৰচিত ?

(গ) শংকৰদেৱে 'ভাগৱত'ৰ কোনটো স্কন্ধৰ পৰা অজামিলৰ আখ্যানভাগ গ্ৰহণ কৰিছে ?

(ঘ) "শ্ৰীকৃষ্ণৰ লগত কৰা যুদ্ধত পৰাস্ত হৈ ৰুক্মই ৰাজধানীলৈ প্ৰত্যাগমন নকৰি নতুনকৈ এখন নগৰ নিৰ্মাণ কৰি থাকিবলৈ লৈছিল।" নগৰখনৰ নাম কি?

(ঙ) কালিৰাম মেধিয়ে বৰগীতক কি নামেৰে অভিহিত কৰিছিল?

(চ) হৰিবংশ মতে শ্ৰীকৃষ্ণই ৰুক্মিণীক পাৰিজাত দিয়া কথাটো কোনে গৈ সত্যভামাক জনায়?

(ছ) "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ 'কীৰ্তন' ৰচিত।" এইটো কাৰ উক্তি?

(জ) নৰকাসুৰে স্বৰ্গৰাজ্য জয় কৰি অদিতিৰ কাণৰ কুণ্ডলৰ উপৰি হৰণ কৰি নিয়া এবিধ বস্তুৰ নাম লিখা।

(ঝ) "ব্ৰহ্মা আদি দেৱে সেৱে যাহাৰ চৰণ।
হেন নাৰায়ণক নিন্দস কি কাৰণ॥"

'ৰুক্মিণীহৰণ কাব্য'ত থকা এই উক্তিটো কাৰ?

(ঞ) 'ভাগৱত'ৰ কোন স্কন্ধৰ পৰা শংকৰদেৱে 'ৰাসক্ৰীড়া'ৰ আখ্যানভাগ গ্ৰহণ কৰিছে?

২। চমুকৈ উত্তৰ কৰিবা : ২×৫=১০

(ক) 'ৰুক্মিণীহৰণ কাব্য'ত উল্লিখিত দুজন কৃষ্ণ-বিদ্বেষী ৰজাৰ নামোল্লেখ কৰা।

(খ) 'ৰাসক্ৰীড়া'ৰ বক্তা আৰু শ্ৰোতা কোন?

(গ) ব্ৰহ্মাৰ মানসপুত্ৰ সনকাদিয়ে 'অসুৰ যোনিত উপজ মৰি' বুলি কাক অভিশাপ দিছিল?

(ঘ) 'মধুৰ মূৰতি মুৰাৰু' আৰু 'নাৰায়ণ, কাহে ভকতি কৰোঁ তেৰা'—বৰগীত দুটি কি ৰাগত বন্ধা?

(ঙ) হৰিবংশৰ কোন দুটা প্ৰধান কাহিনীক একেলগ কৰি শংকৰদেৱে 'পাৰিজাত হৰণ' নাটখন ৰচনা কৰিছে?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) 'কীৰ্তনঘোষা' গ্ৰন্থখন সৰ্বজনপ্ৰিয় হোৱাৰ কাৰণবোৰ চমুকৈ উল্লেখ কৰা।

(খ) 'ৰুক্মিণীহৰণ কাব্য'ত সন্নিৱিষ্ট নাৰীচৰিত্ৰকেইটাৰ বিষয়ে লিখা।

(গ) 'পাৰিজাত হৰণ' নাটৰ আলমত নাৰদৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(ঘ) বৰগীতৰ নামকৰণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) 'কীৰ্তনঘোষা'ত সন্নিৱিষ্ট 'ৰাসক্ৰীড়া'ৰ কাব্যিক-সৌন্দৰ্য বৰ্ণনা কৰা।

(চ) 'অজামিল উপাখ্যান'ৰ জৰিয়তে শংকৰদেৱে বৈষ্ণৱধৰ্মৰ কি তত্ত্ব প্ৰকাশ কৰিছে, লিখা।

(ছ) 'কীৰ্তনঘোষা'ৰ 'প্ৰহ্লাদচৰিত্ৰ' খণ্ডটোৰ মুখ্য উদ্দেশ্য সম্পৰ্কে বিৱৰি লিখা।

৪। (ক) "ভগৱন্ত বস্তুৰে সৈতে মিলিত হোৱাটোৱেই জীৱৰূপা প্ৰকৃতিৰ ৰমণ বা আনন্দ আস্বাদন। আৰু শৰণাগত ভক্তজীৱৰ মনোবাঞ্ছা পূৰ্ণ কৰাটোৱেই ভক্তবৎসল ভগৱন্তৰ স্বভাৱ, ইচ্ছা অৰ্থাৎ ৰমণ।" সমালোচকৰ এই মন্তব্য আগত ৰাখি 'কীৰ্তন'ৰ 'ৰাসক্ৰীড়া'ৰ তাৎপৰ্য বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'কীৰ্তনঘোষা'ত ন বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনক প্ৰধান স্থান দিয়াৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৫। (ক) "শংকৰদেৱৰ বৰগীতত খেদোক্তি, অনুশোচনা আৰু ভগৱানৰ চৰণত আত্মসমৰ্পণৰ ভাব বিশেষকৈ দেখা যায়।" তোমাৰ পাঠ্যক্ৰমৰ ভিতৰত থকা বৰগীতৰ বিশ্লেষণেৰে উক্ত মন্তব্যটিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) বিষয়বস্তুৰ ভিত্তিত শংকৰদেৱৰ বৰগীতবোৰক কেইভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰে চমু পৰিচয় দি এটি প্ৰবন্ধ যুগুত কৰা।

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×২=২০

(ক) শংকৰদেৱৰ 'ৰুক্মিণীহৰণ কাব্য'ত হৰিবংশ, ভাগৱত পুৰাণ আৰু কবিৰ মৌলিক সৃষ্টিৰ কিদৰে সংমিশ্ৰণ ঘটিছে, উদাহৰণসহ বুজাই লিখা।

(খ) অংকীয়া নাটৰ বৈশিষ্ট্য সম্পৰ্কে বিৱৰি লিখা।

(গ) "মহাপুৰুষে নাট্যবস্তু আকৰ্ষণীয় কৰিবৰ নিমিত্তে 'পাৰিজাত হৰণ' নাটত 'ভাগৱত' আৰু 'হৰিবংশ'ৰ কথাবস্তুৰ লগ লগাইছে।" এই উক্তিৰ আধাৰত 'পাৰিজাত হৰণ' নাটৰ কাহিনীভাগ বিচাৰ কৰা।

## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবা : ১×১০=১০

(ক) বেজবৰুৱাৰ ‘কদমকলি’ প্ৰথম কোন চনত প্ৰকাশিত হৈছিল ?

(খ) ‘ভ্ৰম’ নামৰ কবিতাত ৰবীন্দ্ৰনাথৰ কোনটো কবিতাৰ পাৰ্শ্বপ্ৰভাৱ লক্ষ্য কৰা যায় ?

(গ) কৃপাবৰ বৰুৱাৰ আবিৰ্ভাৱ পোনতে কোনখন আলোচনীত হৈছিল ?

(ঘ) ‘কৃপাবৰ বৰুৱাৰ ওভতনি’ৰ অধিক সংখ্যক প্ৰবন্ধ পোনতে কোনখন আলোচনীত প্ৰকাশ পাইছিল ?

(ঙ) ‘সাধুকথাৰ কুকি’ পোনতে কোন চনত প্ৰকাশ পাইছিল ?

(চ) বেজবৰুৱাৰ চুটিগল্প সংকলন কেইখন ?

(ছ) ‘জোনাকী’ৰ প্ৰথম গল্পকাৰজনৰ নাম লিখা।

(জ) ‘মাধৈ মালতী’ গল্পত মাধৈ মালতীয়ে কেইখন চিঠি লিখাৰ কথা জনা যায় ?

(ঝ) ‘বাপিৰাম’ গল্পত উল্লিখিত চাহ বাগিচাৰ মেনেজাৰজনৰ নাম কি ?

(ঞ) ‘লাওখোলা’ গল্পৰ সৈতে ৰবীন্দ্ৰনাথৰ কোনটো গল্পৰ সাদৃশ্য আছে ?

২। চমুকৈ উত্তৰ কৰিবা : ২×৫=১০

(ক) বেজবৰুৱাৰ কৃত্রিম মালিতা শ্রেণীৰ দুটা কবিতাৰ নাম লিখা।

(খ) 'ভুৰুকী বৌ' গল্পত উল্লিখিত দুটা বাঙালী চৰিত্ৰৰ নাম লিখা।

(গ) ভাৰত উদ্ধাৰৰ বাবে প্ৰয়োজন হোৱা ভলন্টিয়াৰবিলাকৰ দুটা গুণৰ বিষয়ে লিখা।

(ঘ) বেজবৰুৱাৰ 'প্ৰিয়তমাৰ সৌন্দৰ্য' নামৰ কবিতাত কোন ইংৰাজ কবিৰ, কোনটো কবিতাৰ প্ৰভাৱ লক্ষ্য কৰা যায়?

(ঙ) ''উঠ অসমীয়া নুশুবি আৰু
কাণীয়া বুলিব লোকে।
কাণীয়া সোৱোপা বুলিব লাগিলে
মই মৰি যাম শোকে॥''

কবিতাফাঁকি কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটো কোনখন গ্ৰন্থৰ অন্তৰ্ভুক্ত?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) 'বীণ আৰু বৰাগী' কবিতাত অভিব্যক্ত হোৱা কবি বেজবৰুৱাৰ আশাবাদী মনৰ পৰিচয় দিয়া।

(খ) 'আমালৈ নাপাহৰিব' গল্পত ফুটি উঠা নাৰী নিৰ্যাতনৰ কথা চমুকৈ লিখা।

(গ) 'মাধৈ মালতী' গল্পত চিত্ৰিত সনাতন আৰু মাধৈ মালতীৰ প্ৰেমৰ এটি চমু বৰ্ণনা দিয়া।

(ঘ) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ৰ প্ৰবন্ধসমূহৰ আধাৰত বেজবৰুৱাৰ প্ৰচ্ছন্ন স্বদেশ-প্ৰেমৰ এটি চমু পৰিচয় দিয়া।

(ঙ) 'ভ্ৰম' আৰু 'মালতী' কবিতাৰ মাজেৰে কবিৰ ৰোমাণ্টিক মনোভংগী কেনেদৰে প্ৰকট হৈ উঠিছে, বিৱৰি লিখা।

(চ) "'কৃপাবৰ বৰুৱাৰ ওভতনি'ৰ প্ৰবন্ধসমূহ লেখকৰ ব্যক্তিচিত্ত আৰু সমাজচিত্তৰ সংমিশ্ৰণ।" তোমাৰ পাঠ্যক্ৰমৰ প্ৰবন্ধসমূহৰ আলমত সমালোচকৰ এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

৪। (ক) "বেজবৰুৱাৰ 'গল্পৰ প্ৰধান আকৰ্ষণ ব্যংগাত্মক প্ৰকাশভংগী।" তোমাৰ পাঠ্যক্ৰমৰ গল্পসমূহৰ আলমত কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) "লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্যৰ প্ৰভাৱত আধুনিক চুটিগল্প ৰচনাত প্ৰবৃত্ত হৈছিল যদিও বেজবৰুৱাৰ প্ৰথম পৰ্যায়ৰ গল্প সৰহ সংখ্যকেই আছিল প্ৰাচীন সাধুকথাৰ পেট ফালি ওলোৱা।" 'সাধুকথাৰ কুকি'ৰ গল্পসমূহৰ আধাৰত সমালোচকৰ এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা।

৫। (ক) 'জয়ন্তী' গল্পত জয়ন্তীৰ সাহসিকতা আৰু দাম্পত্য প্ৰেমৰ ছবি কেনেদৰে ফুটি উঠিছে, বিৱৰি লিখা। ১০

*অথবা*

(খ) "বেজবৰুৱাই নাৰীৰ পৱিত্ৰ প্ৰেমৰ পৰাকাষ্ঠা গল্পত ৰূপায়িত কৰাৰ দৰেই নাৰীৰ নীচতা আৰু ভণ্ডামিকো গল্পৰ মাজেদি ৰূপায়িত কৰিছে।" 'কন্যা' আৰু 'চোৰ' গল্পৰ আলমত নাৰীৰ এই বিপৰীতধৰ্মী চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰিচয় দিয়া।

৬। (ক) তোমাৰ পাঠ্য অন্তৰ্ভুক্ত কবিতাকেইটাৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাক এগৰাকী ৰোমাণ্টিক কবি হিচাপে প্ৰতিপন্ন কৰা। ১০

অথবা

(খ) কৃত্ৰিম কাহিনী-প্ৰধান গীতৰ বৈশিষ্ট্য উল্লেখ কৰি সেই শ্ৰেণীভুক্ত কবিতা হিচাপে বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী'ৰ এটি বিশ্লেষণ আগবঢ়োৱা।

৭। (ক) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ত বিমল হাস্যৰস আৰু তীব্ৰ ব্যংগই কেনেদৰে সহাৱস্থান কৰিছে, বুজাই লিখা। ১০

অথবা

(খ) 'ওভতনি'ৰ অন্তৰ্গত 'ভাৰত উদ্ধাৰ' আৰু 'বন্দেমাতৰম্' প্ৰবন্ধ দুটিৰ বিষয়বস্তু তোমাৰ নিজৰ ভাষাত চমুকৈ লিখা।

★ ★ ★